**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন-৩৩৬**

**উত্তৰ দিয়া তাৰিখ – ১৪-০৭-২০২৬**

বিষয়ঃ অসম চৰকাৰৰ মুঠ ঋণৰ পৰিমাণ

বিধায়কৰ নামঃ মোঃ নুৰুল ইছলামঃ

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসম চৰকাৰৰ বৰ্তমান মুঠ ঋণৰ পৰিমান কিমান? এই ঋণ কোন কোন প্ৰতিষ্ঠানৰ পৰা, কোন কোন তাৰিখত লোৱা হৈছে? (মুঠ ঋণৰ পৰিমান,ঋণ গ্ৰহণৰ তাৰিখ আৰু পৰিমাণৰ উল্লেখসহ বিতং তথ্য সংলগ্ন কৰিব)

(খ) ২০১৬ চনৰ ৩১ মাৰ্চলৈকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা মুঠ ঋণৰ পৰিমাণ কিমান আছিল? ২০১৬ চনৰ ১ মে'ৰ পৰা ২০২৬ চনৰ ৩০ জুনলৈ উক্ত ঋণৰ পৰিমাণ কিমান টকা বৃদ্ধি পাইছে ? (বিস্তৃত তথ্য সংলগ্ন কৰিব )

(গ) অসম চৰকাৰে ২০১৬ চনৰ ১ মে'ত সংগ্ৰহ কৰা ঋণৰ ধনেৰে কি কি আঁচনি ৰূপায়ণৰ কামত কিমান টকাকৈ ব্যয় কৰিছে? (বিস্তৃত তথ্য সংলগ্ন কৰিব)

(ঘ) ৰাজ্য চৰকাৰে সংগ্ৰহ কৰা মুঠ ঋণৰ সুত হিচাপে বছৰি কিমান টকাকৈ আদায় দিবলগীয়া হৈছে? (বিস্তৃত তথ্য সংলগ্ন কৰিব)

বিত্ত বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত জয়ন্ত মল্লবৰুৱা ডাঙৰীয়াই উত্তৰ দিবঃ

**উত্তৰ**

(ক) অসম চৰকাৰৰ হিচাপ পত্ৰসমূহ বছৰেকীয়া হিচাপত মহাগাণনিক অসমৰ প্ৰতিবেদনত প্ৰকাশ পায়। শেহতীয়া মহাগাণনিক অসমৰ প্ৰতিবেদন অনুসৰি ২০২৫ বৰ্ষৰ ৩১ মাৰ্চ পৰ্যন্ত অসমৰ সৰ্বমুঠ ঋণৰ পৰিমাণ ১,৬১,৭৬১ কোটি টকা। এই ঋণৰ সৰ্বমুঠ ১৮,৫৮২ কোটি টকা ৫০ বছৰীয়া সুতবিহীন ঋণ। সেইমৰ্মে আজিৰ তাৰিখত প্ৰকৃত সৰ্বমুঠ সুতযুক্ত ঋণৰ পৰিমাণ হল ১,৪৩,১৭৯ কোটি টকা।

এই ঋণ কোন কোন প্ৰতিষ্ঠান তথা উৎসৰ পৰা লোৱা হৈছে, তাৰ বিতং তথ্য মহাগাণনিক অসমৰ বছৰেকীয়া প্ৰতিবেদনত উল্লেখ আছে আৰু এই প্ৰতিবেদনসমূহ মহাগাণনিক অসমৰ ৱেবচাইট https://cag.gov.in/ae/assam/en- ত উপলব্ধ।

(খ) ২০১৬ বৰ্ষৰ ৩১ মাৰ্চ পৰ্যন্ত অসমৰ সৰ্বমুঠ ঋণৰ পৰিমাণ ৩৫,৬৯০ কোটি টকা।

অসম চৰকাৰৰ হিচাপ-পত্ৰসমূহ বিত্তীয় বৰ্ষ হিচাপত ৰখা হয়। ২০২৫-২৬ বৰ্ষৰ মহাগাণনিক অসমৰ বিত্তীয় প্ৰতিবেদন (Finance Accounts) এতিয়াও চূড়ান্তভাৱে প্ৰকাশ পোৱা নাই। সেই মৰ্মে, ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২০২৫ বিত্তীয় বৰ্ষলৈ ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে লোৱা ঋণৰ বিপৰীতে ৰাজ্য চৰকাৰৰ মুঠ ঋণৰ পৰিমাণ (Outstanding Liabilities) তলৰ তালিকাত উল্লেখ কৰা হলঃ

(কোটি টকা)

| বিত্তীয় বৰ্ষ | বজাৰ ঋণ | বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ | কেন্দ্ৰীয় ক্ষুদ্ৰ সঞ্চয় নিধিৰ ঋণ | কেন্দ্ৰীয় ঋণ | ৰাজ্যিক ভৱিষ্য নিধিৰ ঋণ | সৰ্বমুঠ ঋণ |
|---|---|---|---|---|---|---|
| ২০১৬-১৭ | ১৫৬৬৮.৫৪ | ১৭৩৮.৫৬ | ৯৩২৯.৫৫ | ১৪২৯.৭৮ | ১০১৭৯.৩৩ | ৩৮৩৪৫.৭৬ |
| ২০১৭-১৮ | ২২৪৬৫.৪১ | ২১৬৪.২৪ | ৮৬৬৪.০৮ | ১৩৬১.১৮ | ১১২০৬.৯৯ | ৪৫৬৮১.৯০ |
| ২০১৮-১৯ | ৩০৫৫৪.৭৭ | ৩০০১.৭৮ | ৭৯৫৪.৫৯ | ১৩০৯.০৭ | ১২১৮৮.০৫ | ৫৫০০৮.২৫ |
| ২০১৯-২০ | ৪১৫৫১.০১ | ৩৮৭৬.৫৯ | ৭১৯৯.৬২ | ১২৭০.২৯ | ১৩১৫৬.৫২ | ৬৭০৫৪.০২ |
| ২০২০-২১ | ৫৫৭৮১.০১ | ৪৭৮৫.৩৬ | ৬৪৪৪.৬৬ | ১২৩৪.৬৮ | ১৪০৪৫.৩৭ | ৮২২৯১.০৭ |
| ২০২১-২২ | ৬৬৫৩৪.০১ | ৫৫৫৩.৪০ | ৫৬৮৯.৭০ | ১২৩৭.৯৯ | ১৪৬৪৬.৯০ | ৯৩৬৬১.৯৯ |
| ২০২২-২৩ | ৮২৬৩৯.০১ | ৬৮৬৬.৭১ | ৪৯৩৪.৭৩ | ১২১৩.৬৬ | ১৪৭৪৭.০৭ | ১১০৪০১.১৮ |
| ২০২৩-২৪ | ৯৮৬৩৯.০১ | ৯১৫০.৮৩ | ৪১৭৯.৭৭ | ১২৪৮.৮৫ | ১৪৩৭৬.৩৪ | ১২৭৫৯৪.৮০ |
| ২০২৪-২৫ | ১১২৪৮৯.০১ | ১১৮০১.১৫ | ৩৪২৪.৮১ | ১৫৫৫.৭৬ | ১৩৯০৭.৭৩ | ১৪৩১৭৮.৪৫ |

উৎস–State Finance Accounts

(গ) অসম চৰকাৰে ২০১৬ চনৰ ১ মে'ত সংগ্ৰহ কৰা ঋণৰ ধনেৰে বিভিন্ন আন্তঃগাঁথনি উন্নয়নৰ কামত ব্যয় কৰিছে। মূলধনী শিতানত কি কি কামৰ বাবে কিমান টকা খৰছ কৰা হৈছে তাৰ বিতং তথ্য মহাগাণনিক, অসমৰ বছৰেকীয়া প্ৰতিবেদনত উল্লেখ আছে আৰু এই প্ৰতিবেদনসমূহ মহাগাণনিক, অসমৰ ৱেবচাইট https://cag.gov.in/ae/assam/en- ত উপলব্ধ।

(ঘ) ঋণৰ চৰ্তাৱলী অনুসৰি অসম চৰকাৰে গ্ৰহণ কৰা ঋণসমূহৰ বিপৰীতে প্ৰতি বছৰে নিয়মীয়াভাৱে সুত আদায় (পৰিশোধ) কৰি আহিছে। ৰাজ্য চৰকাৰে সংগ্ৰহ কৰা মুঠ সুতযুক্ত ঋণৰ বিপৰীতে বছৰি আদায় দিয়া সুতৰ পৰিমান তলত উল্লেখ কৰা হল-

(কোটি টকা)

| বিত্তীয় বৰ্ষ | আদায় দিয়া সুতৰ পৰিমাণ | | | | | |
|---|---|---|---|---|---|---|
| | বজাৰ ঋণ | বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ | কেন্দ্ৰীয় ক্ষুদ্ৰ সঞ্চয় নিধি | কেন্দ্ৰীয় ঋণ | বাণিজ্যিক ভৱিষ্যনিধি | সৰ্বমুঠ |
| ২০১৬–১৭ | ১১৩১.৫৪ | ৮৮.৫৪ | ৯৫২.২২ | ১০৫.৬৩ | ৬৮৫.৮২ | ২৯৬৩.৭৫ |
| ২০১৭–১৮ | ১৩৭৬.৫ | ১১১. | ৮৯৩.৫৪ | ১০০.১৬ | ৭২৪.১৩ | ৩২০৫.৩২ |
| ২০১৮–১৯ | ১৯৯৫.৪৪ | ১৩১.৬১ | ৮২৯.৩৭ | ৯৫.৬৯ | ৭৯২.২৬ | ৩৮৪৪.৩৭ |
| ২০১৯–২০ | ২৫৫১.৮৪ | ১৬৭.১৩ | ৭৬০.৯৬ | ৯২.৫৯ | ৮৬৬.৩৬ | ৪৪৩৮.৮৭ |
| ২০২০–২১ | ৩৩৫২.১১ | ১৯২.৮ | ৬৮৮.২৬ | ৯০.৬৮ | ৮৭৫.৩৩ | ৫১৯৯.১৮ |
| ২০২১–২২ | ৪২৫০.৫৩ | ২০৭.১ | ৬১৫.৫৬ | ৮৯.৩১ | ৮৮৮.৯৮ | ৬০৫১.৪৭ |
| ২০২২–২৩ | ৫১২৪.৬৪ | ২২৩.২৫ | ৫৪২.৮৬ | ৯০.৯৩ | ৮৯৩.৩ | ৬৮৭৪.৯৭ |
| ২০২৩–২৪ | ৬৩৭৬.৩৬ | ৩১৭.০২ | ৪৭০.১৫ | ৯০.৩১ | ৮৮৫.৩২ | ৮১৩৯.১৭ |
| ২০২৪–২৫ | ৭৫৩১.৬১ | ৪৭৭.০২ | ৩৯৭.৪৫ | ৯৫.০৭ | ৯৬৬.৬ | ৯৪৬৭.৭৫ |

উৎস–State Finance Accounts

***